মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত মোৰ এই মছজিদত নামাজ পঢ়াটো এহেজাৰ গুণ উত্তম।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত মোৰ এই মছজিদত নামাজ পঢ়াটো এহেজাৰ গুণ উত্তম।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মছজিদে নবৱীত এক ওৱাক্ত নামাজ পঢ়াটো অন্যান্য মছজিদত এহেজাৰ নামাজ পঢ়াতকৈও উত্তম, কেৱল মক্কাত অৱস্থিত মছজিদে হাৰামৰ বাহিৰে। কাৰণ মছজিদে নবৱীতকৈ তাত নামাজ পঢ়া অধিক উত্তম।

http://www.sunnah.global/hadeeth/as/show/65090